**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-05-2026
**Time:** 1340 Hrs

***Assamese Midday Bulletin***
HEADLINES
০০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ই'টালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেল'নিৰ সৈতে হ'বলগীয়া বৈঠকক লৈ আশা প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰীয়ে সদাচাৰক ব্যক্তি বিশেষক নহয়, বৰং সমগ্ৰ সমাজক আলোকিত কৰা এগচি চাকি বুলি অভিহিত কৰিছে।

৩। ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশন কাইলৈৰ পৰা দিছপুৰত অনুষ্ঠিত হ'ব।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ১৫ জুনৰ পৰা ফ্ৰান্সত হ'বলগীয়া জি ছেভেন শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাই ইণ্ডিয়ানছ কলকাতা নাইট ৰাইডাৰ্ছৰ খেল অনুষ্ঠিত হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলনীৰ সৈতে আজি হ'বলগীয়া বৈঠকক লৈ আশা প্ৰকাশ কৰিছে। তেওঁ কয়, যে এই বৈঠকে ভাৰত আৰু ইটালীৰ দ্বিপাক্ষিক সম্পৰ্ক উন্নীত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সামাজিক মাধ্যমযোগে শ্ৰীমোদীয়ে কয়, যে ৰোমত অৱতৰণ কৰাৰ পাছতে তেওঁ নৈশ ভোজত প্ৰধানমন্ত্ৰী মেলনীক সাক্ষাৎ কৰে। ইয়াৰ পাছতে তেওঁ ৰোমৰ প্ৰখ্যাত কল'জিয়াম অৰ্থাৎ বিশ্বৰ সৰ্ববৃহৎ আৰু প্ৰাচীন ৰংগমঞ্চ দৰ্শন কৰে। এই সাক্ষাৎকালত দুয়োগৰাকী নেতাই কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত মত-বিনিময় কৰে। আজিৰ বৈঠকত ভাৰত আৰু ইটালীৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক অধিক শক্তিশালী কৰাৰ বিষয়ে আলোচনা কৰা হ'ব বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। আন এটা বাৰ্তাত শ্ৰীমোদীয়ে ৰোমত থকা প্ৰবাসী ভাৰতীয়সকলক কালি সন্ধিয়া তেওঁলোকে জনোৱা আন্তৰিক আদৰণিৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰত আৰু ইটালীৰ মাজত বান্ধোন শক্তিশালী কৰাৰ ক্ষেত্ৰত এই প্ৰবাসী ভাৰতীয়সকলৰ উল্লেখনীয় অৱদান আছে। বিশ্বৰ সকলো দেশতে ভাৰতীয় সম্প্ৰদায়ে ৰাষ্ট্ৰক গৌৰৱান্বিত কৰিছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইটালীৰ প্ৰসিদ্ধ চিত্ৰশিল্পী জিয়াম্পোলো টোমাছেট্টীয়ে ভাৰতীয় সংস্কৃতিক আধাৰ হিচাপে লৈ কৰা কামৰ ভূয়সী প্ৰশংসা কৰিছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কয়, যে শিল্পীগৰাকীয়ে ই'টালীৰ ৰোম ভ্ৰমণৰ সময়ত তেওঁক বাৰানসীক লৈ অঁকা এখন বিশেষ চিত্ৰ উপহাৰ দিছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতীয় সংস্কৃতিৰ প্ৰতি শ্ৰী ছেট্টীৰ প্ৰেম চাৰি দশকৰো অধিক পুৰণি তেওঁ কয়, যে চিত্ৰশিল্পীগৰাকীয়ে ১৯৮০ ৰ দশকত বৈদিক সংস্কৃতিৰ গ্ৰন্থৰ বাবে চিত্ৰ অংকন কৰি কৰ্মজীৱনৰ পাতনি মেলিছিল। ২০০৮ৰ পৰা ২০১৩ চনলৈ শ্ৰী ছেট্টীয়ে মহাভাৰতৰ ওপৰত আধাৰিত ২৩ খন বিশাল চিত্ৰ অংকন কৰা বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

শ্ৰী মোদীয়ে লগতে সামাজিক মাধ্যমৰ আন এটা পোষ্টত ভাৰতীয় নৃত্যৰ প্ৰতি ইটালীৰ পাঁচগৰাকী শিল্পীৰ প্ৰেমৰ প্ৰশংসা কৰে। তেওঁ কয়, যে ভাৰতীয় নৃত্য শৈলীৰ প্ৰতি বিশ্বৰ বিভিন্ন প্ৰান্তৰ লোকৰ আগ্ৰহ সঁচাকৈ আশ্চৰ্যজনক। তেওঁ লগতে ইটালীত ভাৰতীয় সংগীত অতিকৈ জনপ্ৰিয় বুলি মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে কালি গধূলি ৰোমত আয়োজিত সমূহীয়া অভ্যৰ্থনা অনুষ্ঠানত ইটালীৰ ৫ গৰাকী শিল্পীয়ে হম্ছধবনি ৰাগ পৰিৱেশন কৰে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সদাচাৰক এনে এগচি চাকি বুলি অভিহিত কৰিছে, যিয়ে ব্যক্তি বিশেষক নহয়, বৰং সমগ্ৰ সমাজক আলোকিত কৰে। সামাজিক মাধ্যমযোগে আজি সংস্কৃতৰ এফাঁকি হিতোপদেশ শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰীয়ে এই আদৰ্শ আঁকোৱালি লৈ দেশৰ জনসাধাৰণে সম্প্ৰতি সম্পূৰ্ণ দৃঢ়তা, সামৰ্থ আৰু কৰ্তব্যনিষ্ঠাৰে ৰাষ্ট্ৰগঠন প্ৰক্ৰিয়াত ব্ৰতী হৈছে। কি কৰিব লাগে বা কি কৰিব নালাগে, নিজৰ মত বা ক্ষণিকৰ আবেগৰ বশৱৰ্তী হৈ সেয়া নিৰ্ধাৰণ কৰা উচিত নহয় বুলি তেওঁ মন্তব্য কৰে। শ্ৰী মোদীয়ে কয়, যে আচৰণৰ সঠিক পথৰ সন্ধান দিয়া আৰু নিয়মানুৱৰ্তিতাৰ শিক্ষা প্ৰদান কৰা শাস্ত্ৰত উল্লেখিত মানৰ ওপৰত আধাৰিত হোৱা উচিত। তেওঁ লগতে কয়, যে এগৰাকী ব্যক্তিয়ে প্ৰতিষ্ঠিত মান অনুযায়ী কাম কৰিব লাগে যাতে তেওঁৰ আচৰণ সন্তুলিত, মান্য আৰু অৰ্থৱহ হৈ পৰে।

0000000

ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশন কাইলৈৰ পৰা দিছপুৰত অনুষ্ঠিত হ'ব। কাইলৈ অস্থায়ী অধ্যক্ষ চন্দ্ৰমোহন পাটোৱাৰীয়ে নৱনিৰ্বাচিত বিধায়কসকলক শপতবাক্য পাঠ কৰোৱাব। বিধায়কসকলৰ জ্যেষ্ঠতাৰ ভিত্তিত শপত গ্ৰহণ প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব। স্থায়ী অধ্যক্ষ নিৰ্বাচন নোহোৱা পৰ্যন্ত অস্থায়ী অধ্যক্ষগৰাকীয়ে সদনৰ কাম-কাজ পৰিচালনা কৰিব। শাসকীয় বিজেপিয়ে বিধানসভাৰ পৰৱৰ্তী অধ্যক্ষ হিচাপে ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিধায়ক ৰঞ্জিত দাসক বিধানসভাৰ অধ্যক্ষ হিচাপে মনোনীত কৰিছে। চাৰিদিনীয়া এই অধিৱেশনৰ ২৬ মে'ত অন্ত পৰিব।

0000000

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি দক্ষিণ কোৰিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী আন গ্যু বেকক সাক্ষাৎ কৰে। বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰীদ্বয়ে আঞ্চলিক শান্তি, সুস্থিৰতা আৰু প্ৰযুক্তিগত সমন্বয়ৰ প্ৰতি উমৈহতীয়া প্ৰতিশ্ৰুতিবদ্ধতা অনুযায়ী দুয়ো দেশৰ মাজৰ প্ৰতিৰক্ষা, প্ৰতিৰক্ষা উদ্যোগ আৰু কৌশলগত সহযোগিতা সুদৃঢ় কৰাৰ বিভিন্ন উপায় সম্পৰ্কে আলোচনা কৰে। শ্ৰী সিঙে সামাজিক মাধ্যমযোগে এই বৈঠক ফলপ্ৰসূ হোৱা বুলি অভিহিত কৰিছে। তেওঁ কয়, যে ভাৰত আৰু দক্ষিণ কোৰিয়াই প্ৰতিৰক্ষা চাইবাৰ সহযোগিতা সন্দৰ্ভত বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। ভাৰতৰ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা মহাবিদ্যালয়, কোৰিয়াৰ প্ৰতিৰক্ষা বিশ্ববিদ্যালয় আৰু ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষী সহযোগিতা সংস্থাৰ মাজত এই চুক্তি সম্পাদিত হয়। ইয়াৰ পূৰ্বে শ্ৰী সিঙে কোৰিয়াৰ ৰাষ্ট্ৰীয় মৈদামত পুষ্পমাল্য তৰ্পণ কৰে আৰু ৰাষ্ট্ৰৰ সেৱাত চৰম বলিদান দিয়া সৈনিকসকললৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। তেওঁ কয়, যে সৈনিকসকলৰ সাহস, নিষ্ঠা আৰু দেশপ্ৰেম সদায় অনুপ্ৰেৰণাৰ উৎস হৈ ৰব।

0000000

ইৰাণত সৃষ্টি হোৱা পৰিস্থিতিক লৈ আমেৰিকা আৰু কেইবাখনো ইউৰোপীয় মিত্ৰ ৰাষ্ট্ৰৰ মাজৰ উত্তেজনা বৃদ্ধি পোৱাৰ মাজতে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে অহা মাহত ফ্ৰান্সত হ'বলগীয়া জি চেভেন শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব। হোৱাইট হাউচৰ এগৰাকী বিষয়াই প্ৰকাশ কৰা মতে, অহা ১৫ জুনৰ পৰা ১৭ জুনলৈ দক্ষিণ-পূব ফ্ৰান্সৰ ইভিয়ান - লেছ -বেইনছত হ'বলগীয়া এই সন্মিলনত কৃত্ৰিম বুদ্ধিমত্তা, বাণিজ্য, জটিল খনিজ পদাৰ্থ, আব্ৰজন আৰু গোলকীয় নিৰাপত্তাৰ বিষয়ে আলোচনা কৰা হ'ব। ইৰাণৰ প্ৰতি গ্ৰহণ কৰা ভিন্ন দৃষ্টি ভংগী লৈ আমেৰিকা আৰু ফ্ৰান্স, জাৰ্মানী, ইটালী আৰু ব্ৰিটেইনকে ধৰি মিত্ৰ ৰাষ্ট্ৰসমূহৰ সম্পৰ্কত জটিলতাৰ সৃষ্টি হোৱাৰ

সময়তে এই বৈঠক অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে, ট্ৰাম্পে পশ্চিম এছিয়াত চলি থকা সংঘাতৰ সময়ত আমেৰিকাক প্ৰয়োজনীয় সমৰ্থন নিদিয়া বুলি নাটোৰ মিত্ৰ দেশসমূহক সমালোচনা কৰি আহিছে।

0000000

দেশে আত্মনিৰ্ভৰ ভাৰত উদ্যমৰ অধীনত স্বদেশী প্ৰতিৰক্ষা সামৰ্থ্য বৃদ্ধিৰ দিশত গুৰুত্বপূৰ্ণ সাফল্য অৰ্জন কৰিছে। প্ৰতিৰক্ষা গৱেষণা আৰু বিকাশ সংস্থা - DRDO-ই পাইলটবিহীন বিমানৰ পৰা নিৰ্দিষ্ট লক্ষ্যক উদ্দেশ্যি নিক্ষেপ কৰিব পৰা ULPGM-V3 ৰ উন্নয়নৰ অন্তিম পৰ্যায়ৰ পৰীক্ষা সফলতাৰে সম্পন্ন কৰিছে। দেশৰ প্ৰতিৰক্ষা ক্ষেত্ৰৰ বাবে এয়া গুৰুত্বপূৰ্ণ সাফল্য হিচাপে পৰিগণিত হৈছে।

0000000

মেঘালয়ৰ উমৰৈৰ সামৰিক কেন্দ্ৰত ২০২৬ বৰ্ষৰ বহুপাক্ষিক সামৰিক অনুশীলন প্ৰগতি অনুষ্ঠিত হৈছে। ভুটান, কম্বোদিয়া, ইণ্ডোনেছিয়া, লাউচ, মালয়েছিয়া, মালদ্বীপ, ম্যানমাৰ, নেপাল, ফিলিপিনছ, চিচিলি, শ্ৰীলংকা আৰু ভিয়েটনামৰ প্ৰতিনিধিয়ে এই অনুশীলনত অংশ লৈছে। ভাৰতৰ চহকী সাংস্কৃতিক ঐতিহ্য আৰু আতিথ্যক প্ৰতিফলিত কৰি সেনাবাহিনীয়ে দলটোক আদৰণি জনায়। ভাৰত মহাসাগৰীয় অঞ্চলত সেনা বাহিনীৰ অংশীদাৰিত্ব আৰু সহযোগিতা বৃদ্ধিৰ লক্ষ্যৰে এই অনুশীলনৰ আয়োজন কৰা হৈছে। এই কাৰ্য্যসূচীয়ে সেনা বাহিনীৰ লোকসকলক পেছাদাৰীভাৱে পাৰস্পৰিক বিনিময় কৰাৰ লগতে পৰস্পৰৰ অভিজ্ঞতাৰ পৰা শিক্ষা গ্ৰহণ কৰি সামৰিক সম্পৰ্ক শক্তিশালী কৰি তোলাত সহায় কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানৰ মুকলি সভাত সামৰিক বাহিনীৰ শীৰ্ষ বিষয়া আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

0000000

কংগ'ত ইব'লা ভাইৰাছৰ সংক্ৰমণৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ১৩৬ লৈ বৃদ্ধি পাইছে। দেশখনৰ স্বাস্থ্য মন্ত্ৰী ৰ'জাৰ কাম্বাই এই কথা সদৰি কৰিছে। কংগ'ৰ স্বাস্থ্য বিভাগৰ বিষয়াসকলে প্ৰকাশ কৰা মতে দেশখনৰ ৫৪৩ গৰাকী ব্যক্তিৰ শৰীৰত এই ভাইৰাছৰ সংক্ৰমণৰ লক্ষণ দেখা দিছে আৰু ইয়াৰে ৩২ গৰাকী এই ভাইৰাছৰ সংক্ৰমণত আক্ৰান্ত হোৱাটো নিশ্চিত হৈছে।

0000000

উন্নত নীতি-নিৰ্ধাৰণ আৰু সঁহাৰিপূৰ্ণ প্ৰশাসন ব্যৱস্থাৰ জৰিয়তে বজাৰ ব্যৱস্থাৰ স্বচ্ছতা ৰক্ষা কৰি বজাৰ আৰু ব্যৱসায়ৰ ওপৰত চাপ হ্ৰাস কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ব্যৱস্থা লৈছে বুলি কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে প্ৰকাশ কৰিছে। বিশ্ব পৰিমাপ দিৱস উপলক্ষে আয়োজিত এটা অনুষ্ঠান ভাৰ্চুৱেলী শুভাৰম্ভ কৰি শ্ৰীযোশীয়ে আইনী পৰিমাপ বিজ্ঞানক গ্ৰাহকৰ আস্থা অৰ্জন আৰু উদ্যোগ ক্ষেত্ৰত মান আৰু শুদ্ধতা ৰক্ষাৰ অন্যতম ছাৰিকাঠী বুলি অভিহিত কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতত উৎপাদিত সামগ্ৰীসমূহে গোলকীয় মানৰ সৈতে ফেৰ মাৰিব পৰাকৈ সমৰ্থ হোৱাৰ লগতে পৰিৱেশৰ দিশৰ পৰা বহনক্ষম হোৱা উচিত বুলি উল্লেখ কৰিছে। শ্ৰীযোশীয়ে কয়, যে গ্ৰাহকৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে সকলো সামগ্ৰীৰ জোখ-মাপ সঠিক ৰূপত ৰাখি স্বচ্ছতা নিশ্চিত কৰাটো আইনী পৰিমাপ বিজ্ঞানৰ মূল লক্ষ্য। এইবাৰৰ বিশ্ব পৰিমাপ বিজ্ঞান দিৱসৰ মূল বিষয় পৰিমাপ বিজ্ঞান, নিৰ্ভৰযোগ্য আৰু বিষয়বস্তু নিৰ্ভৰ জোখ-মাপ ব্যৱস্থাৰ বাবে নীতি প্ৰণয়নেৰে আস্থা অৰ্জন কৰা। মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতে সিন্ধু উপত্যকা সভ্যতাৰ দিনৰে পৰা উমৈহতীয়া জোখ-মাপ ব্যৱস্থা কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে।

0000000

আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰী মাৰ্ক' ৰুবিঅ' অহা ২৩ মে'ত চাৰিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। এয়া হ'ব তেওঁৰ প্ৰথমটো ভাৰত ভ্ৰমণ।

0000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনত মুম্বাই ইণ্ডিয়ানছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

প্ৰতিযোগিতাত জয়পুৰত অনুষ্ঠিত এখন খেলত যোৱা নিশা ৰাজস্থান ৰয়েলছে লক্ষ্ণৌ ছুপাৰ জায়েন্টছক ৭ উইকেটত পৰাস্ত কৰে।

ৰয়েল চেলেঞ্জাৰ বেংগালুৰু, গুজৰাট টাইটানছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদে ইতিমধ্যে প্লে-অফৰ বাবে যোগ্যতা অৰ্জন কৰিছে৷

০০০০০০০

সমাপ্ত